**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 04-05-2025
**Time:** 13-40 Hrs

***Assamese Midday Bulletin***
***Headlines***

**::::::::::::::::::::::::::::::::::::::::::::::::**

১। উপৰাষ্ট্ৰপতি জগদীপ ধনখড়ে আজি মধ্যপ্ৰদেশৰ গোৱালিয়ৰ ভ্ৰমণ কৰিব।

২। সমগ্ৰ দেশ আৰু বিদেশৰ ১৩ খন চহৰৰ ৫ হাজাৰৰো অধিক কেন্দ্ৰত কিছুসময়ৰ পাছতে চিকিৎসা বিজ্ঞানৰ স্নাতক পাঠ্যক্ৰমত নাম ভৰ্তিৰ বাবে নীট-ইউ জি অনুষ্ঠিত হ'ব।

৩। পাকিস্তানৰ বাবে চোৰাংচোৰাগিৰি কৰাৰ অভিযোগত দুজন ব্যক্তিক পাঞ্জাবৰ অমৃতচৰ গ্ৰাম্য আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছে।

৪। বিহাৰৰ ৰাজধানী পাটনাৰ পাতলিপুত্ৰ ক্ৰীড়া চৌহদত আজি আকৰ্ষণীয় অনুষ্ঠানেৰে খেল' ইণ্ডিয়া যুৱ ক্ৰীড়া মহোৎসৱ ২০২৫ আৰম্ভ হ'ব। ***আৰু***

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি ৰাজস্থান ৰয়েলছ-কলকাতা নাইট ৰাইডাৰ্ছৰ আৰু পাঞ্জাব কিংছ-লক্ষ্ণৌ ছুপাৰ জায়েণ্টছৰ সন্মুখীন হ'ব। ০০০০০

০০০০

উপৰাষ্ট্ৰপতি জগদীপ ধনখড়ে আজি মধ্যপ্ৰদেশৰ গোৱালিয়ৰ ভ্ৰমণ কৰিব। উপ ৰাষ্ট্ৰপতিগৰাকীয়ে আজি সন্ধিয়া ৰাজমাতা বিজয় ৰাজে সিন্ধিয়া কৃষি বিশ্ববিদ্যালয়ত অধ্যাপক আৰু ছাত্ৰ-ছাত্ৰীৰ সৈতে মত বিনিময় অনুষ্ঠানত অংশ ল'ব। উপৰাষ্ট্ৰপতিগৰাকীয়ে চহৰখনৰ স্থানীয় অনুষ্ঠানটোত আজি অংশগ্ৰহণ কৰাৰ কথা।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ছিংগাপুৰৰ প্ৰধানমন্ত্ৰী লৰেন্স ৱঙক অভিনন্দন জনাইছে। সামাজিক মাধ্যমৰ এটা পোষ্টযোগে তেওঁ কয়, যে ভাৰত আৰু ছিংগাপুৰৰ মাজত শক্তিশালী আৰু বহুমুখী অংশীদাৰিত্ব আছে, যাৰ বাবে দেশ দুখনৰ জনসাধাৰণৰ মাজতো ঘনিষ্ঠ সম্পৰ্ক আছে। শ্ৰীমোদীয়ে লগতে কয়, যে দুয়োখন দেশৰ কৌশলগত অংশিদাৰিত্ব আৰু অধিক আগুৱাই নিয়াৰ বাবে তেওঁ শ্ৰীৱঙৰ সৈতে কাম কৰি যাবলৈ আগ্ৰহী।

০০০০

এতিয়া শুনক ৱেভছ্ সন্মিলনৰ বাতৰি **(মনতাজ)**

মুম্বাইত অনুষ্ঠিত বিশ্ব দৃশ্য-শ্ৰব্য আৰু মনোৰঞ্জন সন্মিলন ৱেভছৰ আজি সামৰণি পৰিব। আজি অন্তিম দিনা চলচ্চিত্ৰ নিৰ্মাণ সন্দৰ্ভত কেইবাটাও সত্ৰৰ আয়োজন কৰা হ'ব আৰু সাংস্কৃতিক অনুষ্ঠানো পৰিৱেশন কৰা হ'ব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে যোৱা বৃহস্পতিবাৰে এই চাৰিদিনীয়া সন্মিলন মুকলি কৰিছিল। ভাৰতবৰ্ষক সংবাদ,

মনোৰঞ্জন আৰু ডিজিটেল উদ্ভাৱনৰ গোলকীয় কেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ প্ৰয়াসৰ অংশ হিচাপে আয়োজন কৰা এই সন্মিলনত ৯০ খনকো অধিক দেশৰ প্ৰায় ১০ হাজাৰ প্ৰতিনিধিয়ে অংশ লয়।

***(মনতাজ)***

০০০০

উত্তৰাখণ্ডৰ চামʼলি জিলাত আজি পুৰা পৰম্পৰাগত ৰীতি নীতিৰে বদ্ৰীনাথ ধামৰ পোৰ্টেল মুকলি কৰা হয়। ইয়াৰ লগে লগে উত্তৰাখণ্ডৰ চাৰিধাম কেদাৰনাথ, গংগোত্ৰী, যমুনোত্ৰী আৰু বদ্ৰীনাথ তীৰ্থযাত্ৰীসকলৰ দৰ্শনৰ বাবে মুকলি হয়। অনুষ্ঠানটো সামৰিক বেণ্ড আৰু **জয় বদ্ৰী বিশাল** ধ্বনিৰে আৰম্ভ হয়। মন্দিৰ কৰ্তৃপক্ষই তীৰ্থযাত্ৰীসকলৰ সুবিধা আৰু সুৰক্ষাৰ দিশত গুৰুত্ব দি কেতবোৰ বিশেষ ব্যৱস্থা ৰূপায়ণ কৰিছে। নিৰাপত্তা, স্বাস্থ্য সেৱা, থকা-খোৱাৰ সুব্যৱস্থা আৰু পৰিবহন ব্যৱস্থাপনাৰ ক্ষেত্ৰত বিশেষ গুৰুত্ব আৰোপ কৰা পৰিলক্ষিত হৈছে। উত্তৰাখণ্ড চৰকাৰে সকলো তীৰ্থযাত্ৰীক তেওঁলোকৰ যাত্ৰাৰ সময়ত ৰাজ্যখন পৰিষ্কাৰ আৰু পবিত্ৰ কৰি ৰখাত অৰিহণা যোগাবলৈ আহ্বান জনাইছে।

০০০০

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে ভাৰতীয় প্ৰতিৰক্ষা গৱেষণা আৰু উন্নয়ন সংস্থা (ডি. আৰ. ডি. অ)ই কালি ষ্ট্ৰেটোস্ফেৰিক এয়াৰশ্বিপ প্লেটফৰ্মৰ প্ৰথমটো উৰণ-পৰীক্ষা সফলতাৰে সম্পন্ন কৰাৰ বাবে সংস্থাটোক অভিনন্দন জনাইছে। উল্লেখযোগ্য যে এয়াৰশ্বিপ প্লেটফৰ্মৰ প্ৰথমটো উৰণ পৰীক্ষণ মধ্য প্ৰদেশৰ শ্বেওপুৰ পৰীক্ষণ কেন্দ্ৰৰ পৰা কৰা হৈছিল। এয়াৰশ্বিপখন প্ৰায় **১৭** কিলোমিটাৰ উচ্চতাৰ পৰা এটা যন্ত্ৰৰ সৈতে মুকলি কৰা হৈছিল।

০০০০

সমগ্ৰ দেশ আৰু বিদেশৰ ১৩ খন চহৰৰ ৫ হাজাৰৰো অধিক কেন্দ্ৰত আজি দিনৰ ২ বজাৰ পৰা বিয়লি ৫ বজালৈ চিকিৎসা বিজ্ঞানৰ স্নাতক পাঠ্যক্ৰমত নাম ভৰ্তিৰ বাবে ৰাষ্ট্ৰীয় যোগ্যতা নিৰূপন তথা প্ৰৱেশ পৰীক্ষা নীট-ইউ জি অনুষ্ঠিত হʼব। ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থাই প্ৰকাশ কৰা মতে এই পৰীক্ষাৰ বাবে ২২ লাখ ৭০ হাজাৰৰো অধিক প্ৰাৰ্থীয়ে নাম পঞ্জীয়ন কৰিছে। এই পৰীক্ষা সুচাৰুৰূপে সম্পন্ন কৰাৰ বাবে সকলো ধৰণৰ ব্যৱস্থা কৰা হৈছে।

০০০০

পেহেলগামত হোৱা সন্ত্ৰাসবাদী আক্ৰমণৰ ঘটনাৰ পাছত শেহতীয়াকৈ পাঞ্জাৱৰ অমৃতচৰ গ্ৰাম্য আৰক্ষীয়ে পাকিস্তানৰ বাবে চোৰাংচোৱাগিৰি কৰাৰ অভিযোগত দুজন ব্যক্তিক গ্ৰেপ্তাৰ কৰিছে। পালাক শ্বেৰ মছিহ আৰু সুৰজ মছিহ নামৰ অভিযুক্ত দুজনে সেনা চাউনী আৰু বিমানঘাটিৰ অৱস্থিতিকে ধৰি স্পৰ্শকাতৰ তথ্য আৰু ফটো ফাদিল কৰাত জড়িত বুলি অভিযোগ উত্থাপন হৈছে।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাশীৰ যোগ সাধক শিৱানন্দ বাবাৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰিছে। এটা বাৰ্তাযোগে শ্ৰীমোদীয়ে কৈছে, যে যোগ আৰু আধ্যাত্মিক অনুশীলনৰ প্ৰতি উৎসৰ্গিত তেওঁৰ জীৱনে দেশৰ প্ৰতিটো

প্ৰজন্মক অনুপ্ৰাণিত কৰি যাব। তেওঁ লগতে কয়, যে যোগৰ জৰিয়তে সমাজলৈ আগবঢ়োৱা সেৱাৰ বাবে শিৱানন্দ বাবাক পদ্মশ্ৰী সন্মানেৰে সন্মানিত কৰা হৈছিল।

০০০০

বিহাৰৰ ৰাজধানী পাটনাৰ পাতলিপুত্ৰ ক্ৰীড়া চৌহদত আজি বিয়লি আকৰ্ষণীয় অনুষ্ঠানেৰে খেল' ইণ্ডিয়া যুৱ ক্ৰীড়া মহোৎসৱ ২০২৫ আৰম্ভ হ'ব। বিহাৰৰ মুখ্যমন্ত্ৰী নীতিশ কুমাৰ আৰু কেন্দ্ৰীয় ক্ৰীড়া মন্ত্ৰী ড০ মনসুখ মন্দাভিয়াই এই মহোৎসৱৰ উদ্বোধন কৰিব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভিডিঅ' বাৰ্তাযোগে প্ৰতিযোগিতাত ভাগ লোৱা এথলিটসকলক উদ্দেশি ভাষণ দিব।

১৫ মে'লৈ হ'বলগীয়া এই প্ৰতিযোগিতাত ১৮ বছৰ অনুৰ্ধ্ব ৮ হাজাৰ ৫০০ ৰো অধিক প্ৰতিভাবান খেলুৱৈয়ে ২৮ টা শিতানত প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। বিহাৰৰ পাটনা, ৰাজগীৰ, গয়া, ভাগলপুৰ আৰু বেগুচৰাইসহ ছখন চহৰত প্ৰতিযোগিতাৰ ২৮ টা শিতানৰ খেল অনুষ্ঠিত হ'ব। তিনিটা শিতানৰ খেল নতুন দিল্লীত খেলোৱা হ'ব। কেন্দ্ৰীয় চৰকাৰৰ খেল' ইণ্ডিয়া উদ্যমৰ অধীনৰ এই প্ৰতিযোগিতাৰ এইবাৰৰ সপ্তম সংস্কৰণত প্ৰায় পাঁচ হাজাৰ খেলুৱৈয়ে অংশগ্ৰহণ কৰাৰ সম্ভাৱনা আছে।

প্ৰতিযোগিতাত সেনা বাহিনীৰ উপৰি দেশৰ ৩৬ খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ এই খেলুৱৈসকলে ২৮ টা শিতানত প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হ'ব। নতুন দিল্লীত শ্যুটিং, জিমনাষ্টিকছ্‌ আৰু ট্ৰেক চাইক্লিং শিতানৰ খেলসমূহ অনুষ্ঠিত হ'ব। বাকী শিতানৰ খেলসমূহ বিহাৰত খেলোৱা হ'ব। পাটনাৰ পাতলিপুত্ৰ ক্ৰীড়া চৌদহত আজি আকৰ্ষণীয় অনুষ্ঠানেৰে এই ক্ৰীড়া প্ৰতিযোগিতা আনুষ্ঠানিকভাৱে মুকলি কৰা হ'ব। আজিয়ে কাবাডী, আৰ্চাৰী আৰু ভলীবলৰ খেলসমূহ আৰম্ভ হ'ব।

আকাশবাণীয়ে খেল' ইণ্ডিয়া যুৱ ক্ৰীড়া মহোৎসৱৰ উদ্বোধনী অনুষ্ঠানৰ পোনপটীয়া বিৱৰণী প্ৰচাৰ কৰিব। বিয়লি ৫ বাজি ৫৫ মিনিটৰ পৰা এই বিবৰণী প্ৰচাৰ কৰা হ'ব। নিউজ অন এ আই আৰ ম'বাইল এপ, প্ৰসাৰ ভাৰতী স্পোৰ্টছ্‌ ইউটিউব চেনেল আৰু ডিটিএইছ্‌ যোগে এই বিৱৰণী শুনিবলৈ পোৱা যাব।০০

০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি দুখন খেল অনুষ্ঠিত হ'ব। ইডেন গাৰ্ডেনছত বিয়লি চাৰে তিনি বজাত হ'বলগীয়া প্ৰথমখন খেলত ৰাজস্থান ৰয়েলছ-কলকাতা নাইট ৰাইডাৰ্ছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। কোলকাতা নাইট ৰাইডাৰ্ছ প্ৰতিযোগিতাৰ পইণ্ট তালিকাৰ সপ্তম স্থানত আৰু ৰাজস্থান ৰয়েলছ অষ্টম স্থানত আছে।

সন্ধিয়া চাৰে ৭ বজাত হিমাচল প্ৰদেশৰ ধৰমশালাত হ'বলগীয়া দ্বিতীয়খন খেলত পাঞ্জাব কিংছ-লক্ষ্ণৌ ছুপাৰ জায়েণ্টছৰ সন্মুখীন হ'ব। পইণ্ট তালিকাত পাঞ্জাব কিংছ চতুৰ্থ স্থানত আৰু লক্ষ্ণৌ চুপাৰ জায়েণ্টছ ষষ্ঠ স্থানত আছে।

যোৱা নিশা বেংগালুৰুৰ এম চিন্নাস্বামী ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত ৰয়েল ছেলেঞ্জাৰ্ছ বেংগালুৰুৱে-চেন্নাই ছুপাৰ কিংছক ২ ৰানত পৰাস্ত কৰে। বেংগালুৰুৱে প্ৰথমে বেট ধৰি ৰোমাৰিঅ' ছেফাৰ্ডৰ আকৰ্ষণীয় অৰ্ধশতকৰ সহায়ত নিৰ্ধাৰিত ২০ অভাৰত ৫টা উইকেট হেৰুৱাই ২১৩ ৰান সংগ্ৰহ কৰে। ছেফাৰ্ডে ১৪ টা বলত ৫৩ ৰান কৰি আউট নোহোৱাকৈ থাকে। চেন্নাইৰ হৈ মথেচা পথিৰানাই ৩ টা উইকেট দখল কৰে।

প্ৰত্যুত্তৰত চেন্নাই ছুপাৰ কিংছে নিৰ্ধাৰিত ২০ অভাৰত ৫ টা উইকেট হেৰুৱাই ২১১ ৰানহে কৰিবলৈ সমৰ্থ হয়। চেন্নাইৰ হৈ আয়ুষ ম্হাত্ৰে ৪৮ টা বলত ৯৪ ৰান কৰে। ৰবীন্দ্ৰ জাডেজাই ৪৫ টা বলত ৭৭ ৰান কৰি আউট নোহোৱাকৈ থাকে। বেংগালুৰুৰ লুংগি এনগিডিয়ে ৩ টা উইকেট অৰ্জন কৰে। ছেফাৰ্ডক প্লেয়াৰ অব দ্যা মেচ হিচাপে ঘোষণা কৰা হয়। কালিৰ জয়ৰ সুবাদত বেংগালুৰুৱে ১৬ পইণ্ট অৰ্জন কৰি প্ৰতিযোগিতাৰ পইণ্ট তালিকাৰ শীৰ্ষলৈ উন্নীত হয়। চেন্নাই ইতিমধ্যে প্ৰতিযোগিতাৰ প্লে অফ পৰ্যায়ৰ দৌৰৰ পৰা বাহিৰ হৈছে।

oooo

সমাপ্ত